**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date : 23**-07-2024
**Time :** 1715 Hrs.

# *ASSAMESE REGIONAL EVENING BULLETIN*

**:::::::::::::::::::::::::::::::::::::::**

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি লোকসভাত ২০২৪-২৫ বিত্তীয় বৰ্ষৰ সাধাৰণ বাজেট দাখিল কৰে। এই বাজেটত সকলোৰে বাবে সুযোগ সৃষ্টিৰ উদ্দেশ্যে ৯টা অগ্ৰাধিকাৰৰ কথা উল্লেখ কৰা হৈছে। এই অগ্ৰাধিকাৰসমূহ হৈছে – উৎপাদনশীলতা আৰু কৃষিৰ স্থিতিস্থাপকতা, কৰ্ম সংস্থাপন আৰু দক্ষতাৰ বিকাশ, সৰ্বাত্মক মানৱ সম্পদ উন্নয়ন আৰু সামাজিক ন্যায়, নিৰ্মাণ আৰু সেৱা, নগৰ উন্নয়ন, শক্তি সুৰক্ষা, আন্তঃগাঁথনি, উদ্ভাৱন, গৱেষণা আৰু উন্নয়ন তথা পৰৱৰ্তী প্ৰজন্মৰ সংস্কাৰ।

বাজেট দাখিল কৰি বিত্তমন্ত্ৰীগৰাকীয়ে কৃষি, ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ, নিৰ্মাণ তথা আন্তঃগাঁথনি খণ্ডৰ বাবে ভালেমান পদক্ষেপৰ কথা ঘোষণা কৰে। শ্ৰীমতী সীতাৰমনে প্ৰধানমন্ত্ৰীৰ কৰ্ম সংস্থাপন আৰু দক্ষতা বিকাশ পেকেজৰ বিষয়ে ঘোষণা কৰে। এই পেকেজৰ অধীনত কৰ্ম সংস্থাপনৰ সৈতে জড়িত উদ্গনিমূলক ধনৰাশি প্ৰদানৰ তিনিখন আঁচনিৰ কথা মন্ত্ৰীগৰাকীয়ে ঘোষণা কৰে। প্ৰথমখন আঁচনিৰ অধীনত সকলো আনুষ্ঠানিক খণ্ডৰ কৰ্ম শক্তি হিচাপে যোগদান কৰা সকলো নতুন ব্যক্তিক এমাহৰ দৰমহা প্ৰদান কৰা হ'ব। দ্বিতীয়খন আঁচনিৰ জৰিয়তে নিৰ্মাণ খণ্ডত কৰ্ম সংস্থাপন সৃষ্টি কৰা হ'ব আৰু তৃতীয়খন আঁচনিৰ জৰিয়তে নিয়োগকৰ্তাসকলক সহায় আগবঢ়োৱা হ'ব। কেন্দ্ৰীয় বিত্তমন্ত্ৰীগৰাকীয়ে কয় যে দেশত শক্তিশালী আন্তঃগাঁথনি গঢ়ি তোলাৰ বাবে যথেষ্ট বিনিয়োগ কৰা হৈছে। আন্তঃগাঁথনি উন্নয়নৰ বাবে মূলধনী ব্যয়ৰ বাবদ ১১ লাখ কোটিৰো অধিক টকা আবণ্টন দিয়া হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। এই ধন দেশৰ মুঠ ঘৰুৱা উৎপাদনৰ ৩ দশমিক ৪ শতাংশ। কেন্দ্ৰীয় চৰকাৰে ৰাজ্যসমূহকো আন্তঃগাঁথনি উন্নয়নৰ বাবে এনেধৰণৰ উন্নয়নমূলক আঁচনি গ্ৰহণ কৰিবলৈ উৎসাহ যোগাইছে বুলি বিত্তমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। শ্ৰীমতী সীতাৰমনে লগতে মহিলা আৰু শিশুৰ উপকাৰ সাধন কৰা বিভিন্ন আঁচনিৰ বাবে ৩ লাখ কোটিৰো অধিক টকাৰ প্ৰস্তাৱ দিয়ে। বাজেট ভাষণত বিত্তমন্ত্ৰীয়ে বিহাৰৰ বাবে ৪১ হাজাৰ কোটি, অন্ধ্ৰপ্ৰদেশলৈ ১৫ হাজাৰ কোটি টকাৰ সাহায্য প্ৰদানৰ বিষয়ে ঘোষণা কৰে। তেওঁ কয় যে বিহাৰৰ নতুন বিমান বন্দৰ, চিকিৎসা মহাবিদ্যালয় আৰু ক্ৰীড়া আন্তঃগাঁথনি বিকশাই তোলা হ'ব। মন্ত্ৰীগৰাকীয়ে লগতে বাজেটত তৰুণ শাখাৰ অধীনত মুদ্ৰা ঋণ লাভ কৰা আৰু সফলতাৰে পৰিশোধ কৰা উদ্যমীসকলৰ বাবে ঋণ ধনৰাশি বৰ্তমানৰ ১০ লাখ টকাৰ পৰা ২০ লাখ টকালৈ বৃদ্ধি কৰাৰ কথা ঘোষণা কৰে। বাজেট দাখিল কৰি বিত্তমন্ত্ৰীগৰাকীয়ে কয় যে বৰ্তমান চৰকাৰে ৫ বছৰত ১ কোটি যুৱক-যুৱতীক শীৰ্ষৰ ৫০০ টা কোম্পানীত ইণ্টাৰ্ণশ্বিপৰ সুযোগ প্ৰদানৰ উদ্দেশ্যে এখন সৰ্বাত্মক আঁচনি ৰূপায়ণ কৰিব। শ্ৰীমতী সীতাৰমনে কয় যে কেন্দ্ৰীয় চৰকাৰে দেশৰ পূব প্ৰান্তৰ উন্নয়নৰ বাবে উদ্যোগিক কৰিড'ৰ স্থাপনত সহায় আগবঢ়াব। চৰকাৰে ঘৰুৱা উৎপাদন আৰু গুৰুত্বপূৰ্ণ খনিজাত সামগ্ৰীৰ পুনৰ্ব্যৱহাৰ্যকৰণৰ বাবে গুৰুত্বপূৰ্ণ খনিজ অভিযান আৰম্ভ কৰিব। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নগৰীয়া আবাস যোজনাৰ দ্বিতীয় পৰ্যায়ৰ অধীনত ১০ লাখ কোটি টকাৰে ১ কোটি দুখীয়া আৰু মধ্য বিত্ত শ্ৰেণীৰ পৰিয়ালৰ বাসগৃহৰ আৱশ্যকতা পূৰণ কৰা হ'ব। প্ৰধানমন্ত্ৰী গ্ৰামীণ চড়ক যোজনাৰ চতুৰ্থ পৰ্যায় শীঘ্ৰে আৰম্ভ কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে ঘোষণা কৰে। তেওঁ কয় যে নাবালকসকলৰ অৰ্থনৈতিক সুৰক্ষাৰ বাবে 'এন পি এছ বাৎসল্য' আঁচনি আৰম্ভ কৰা হ'ব। বাজেটত বেংকিং সেৱাৰ সম্প্ৰসাৰণৰ বাবে উত্তৰ-পূৰ্বাঞ্চলত ভাৰতীয় ডাক ধনাদায় বেংকৰ ১০০ ৰো অধিক শাখা স্থাপন কৰাৰ প্ৰস্তাৱ দিয়া হৈছে। বিত্ত মন্ত্ৰীগৰাকীয়ে লগতে কৰ্কট ৰোগীসকলক সকাহ প্ৰদানৰ উদ্দেশ্যে আৰু তিনিবিধ ঔষধক সীমা শুল্কৰ আওতাৰ বাহিৰত ৰখাৰ কথা ঘোষণা কৰে। মন্ত্ৰীগৰাকীয়ে লগতে সোণ-ৰূপৰ ওপৰত আৰোপিত সীমা শুল্ক ১৬ শতাংশলৈ আৰু হীৰাৰ ওপৰত আৰোপিত সীমা শুল্ক ৬ দশমিক ৪ শতাংশলৈ হ্ৰাস কৰাৰ কথা ঘোষণা কৰে। তেওঁ লগতে কেতবোৰ বিশেষ বিত্তীয় সম্পদৰ ক্ষেত্ৰত মূলধনী মুনাফাৰ ৰেহাইৰ সীমা বছৰি ১ লাখ ২৫ হাজাৰ টকালৈ বৃদ্ধিৰ প্ৰস্তাৱ দিয়ে। ব্যক্তিগত আয়কৰৰ ক্ষেত্ৰত বিত্তমন্ত্ৰীগৰাকীয়ে বাজেটত বিশেষ ঘোষণা কৰিছে। এই অনুসৰি ৩ লাখ টকা পৰ্যন্ত আয়ৰ ক্ষেত্ৰত কোনোধৰণৰ কৰ

প্ৰযোজ্য নহ'ব। ৩ৰ পৰা ৭ লাখ টকা পৰ্যন্ত আয়কৰ ৫ শতাংশ, ৭ৰ পৰা ১০ লাখ টকা পৰ্যন্ত ১০ শতাংশ, ১০ৰ পৰা ১২ লাখলৈকে ১৫ শতাংশ, ১২ৰ পৰা ১৫ লাখলৈকে ২০ শতাংশ আৰু ১৫ লাখ টকাৰ ওপৰৰ আয়ৰ ক্ষেত্ৰত ৩০ শতাংশ হ'ব।

দেউলীয়া গোচৰৰ দ্ৰুত নিষ্পত্তিৰ প্ৰক্ৰিয়া আৰম্ভ কৰাৰ উদ্দেশ্যে ন্যায়াধীকৰণ সুদৃঢ় কৰাৰ বাবে দেউলীয়া আৰু ঋণ পৰিশোধৰ অক্ষমতা বিধিত প্ৰয়োজনীয় সাল-সলনি কৰা হ'ব। ১ কোটি পৰিয়ালক প্ৰতিমাহে ৩০০ ইউনিট বিনামূলীয়া বিদ্যুৎ যোগানৰ উদ্দেশ্যে মূধচত সৌৰ প্ৰকল্প স্থাপনৰ বাবে প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ বিনামূলীয়া বিদ্যুৎ যোজনা আৰম্ভ কৰা হৈছে। এই আঁচনিখনে ১ কোটি ২০ লাখৰো অধিক পঞ্জীয়ন আৰু ১৪ লাখ আবেদনৰ সৈতে বিপুল সঁহাৰি লাভ কৰিছে।

কেন্দ্ৰীয় বাজেট ২০২৪-২৫ত চৰকাৰে জনজাতি সম্প্ৰদায়ৰ আৰ্থ-সামাজিক অৱস্থা উন্নত কৰাৰ বাবে বিভিন্ন ব্যৱস্থা ঘোষণা কৰিছে। বিত্তমন্ত্ৰীগৰাকীয়ে ঘোষণা কৰিছে যে জনজাতীয় সংখ্যাগৰিষ্ঠ গাঁও আৰু জিলাসমূহত চৰকাৰে 'প্ৰধানমন্ত্ৰী জনজাতীয় উন্নত গ্ৰাম অভিযান' আৰম্ভ কৰিব। ইয়াৰ দ্বাৰা ৫ কোটি জনজাতীয় লোক উপকৃত হ'ব আৰু ইয়াৰ দ্বাৰা ৬৩ হাজাৰ গাঁও সামৰি লোৱা হ'ব।

বিত্তমন্ত্ৰীয়ে গ্ৰাম্য আন্তঃগাঁথনিকে ধৰি গ্ৰামাঞ্চলৰ উন্নয়নৰ বাবে ২ দশমিক ৬ - ৬ লাখ কোটি টকাৰ প্ৰস্তাৱ বাজেটত দিয়া হৈছে।

অসম, বিহাৰ, হিমাচল প্ৰদেশ, উত্তৰাখণ্ড আৰু ছিকিমলৈ বান ব্যৱস্থাপনা প্ৰকল্পৰ সমৰ্থনত আৰ্থিক অনুদান আগবঢ়োৱাৰ প্ৰস্তাৱ দিয়া হয়। তেওঁ কয় যে, অসমত ব্ৰহ্মপুত্ৰৰ উপৰি অন্যান্য নৈ-উপনৈসমূহে সৃষ্টি কৰা বান পৰিস্থিতিৰ ব্যৱস্থাপনা আৰু আনুসংগিক প্ৰকল্পৰ বাবে সাহায্য প্ৰদান কৰা হ'ব। শেহতীয়াকৈ বান আৰু ভূমিস্খলনত ক্ষতিগ্ৰস্ত ছিকিমকো কেন্দ্ৰীয় চৰকাৰে সাহায্য প্ৰদান কৰিব বুলি বিত্তমন্ত্ৰীগৰাকীয়ে বাজেট ভাষণত উত্থাপন কৰে।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি সদনত দাখিল হোৱা কেন্দ্ৰীয় বাজেটখনে সৰ্বাত্মক বিকাশ আৰু সমাজৰ বহুতো স্তৰৰ লোকক উপকৃত কৰি এখন বিকশিত ভাৰতৰ ভেটি নিৰ্মাণ কৰাটো সুনিশ্চিত কৰিব বুলি মন্তব্য কৰিছে। তেওঁ কয় যে, কেন্দ্ৰীয় চৰকাৰে কৰ্মসংস্থাপনৰ সৈতে জড়িত উদগনিমূলক আঁচনি ঘোষণা কৰিছে আৰু ইয়াৰ দ্বাৰা দেশত কোটি কোটি নতুন নিয়োগৰ সুবিধাৰ সৃষ্টি হ'ব। বাজেট সন্দৰ্ভত দিয়া এটা ভিডিঅ' বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে কয় যে, বাজেটে নতুন সুযোগ, শক্তি, কৰ্মসংস্থাপন আৰু স্বাৱলম্বনৰ পথ প্ৰশস্ত কৰিব।

কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে এই সন্দৰ্ভত কয় যে, সদনত আজি দাখিল হোৱা বাজেটে উন্নত আন্তঃগাঁথনি উদ্ভাৱন আৰু নতুন সংস্কাৰৰ দ্বাৰা সমাজৰ সকলো স্তৰৰ লোকক উপকৃত কৰিব পৰাকৈ উন্নত ভৱিষ্যতৰ বাবে পথৰ নিৰ্দেশনা দিব।

ইপিনে কংগ্ৰেছ দলে বাজেটখনক নিৰাশাজনক বুলি সমালোচনা কৰা বুলি এই বাজেটত মুদ্ৰাস্ফিতী আৰু নিবনুৱা সমস্যা হ্ৰাস কৰাৰ বাবে কোনো পদক্ষেপৰ কথা উল্লেখ কৰা হোৱা নাই বুলি প্ৰকাশ কৰিছে।

oooooooo

ঃসমাপ্তঃ